# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ২৩ জুলাই তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলীৰ বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আগৰে পৰাই ধাৰাবাহিক ভাৱে হজৰত উমৰ (ৰাঃ)ৰ স্মৃতি মুলক বৰ্ণনা চলি আছে, আৰু তেখেত (ৰাঃ)ৰ খিলাফৎ কালত সংগঠিত হোৱা কিছুমান যুদ্ধ সম্পৰ্কে বিৱৰণ আগবঢ়োৱা হৈ আছে। ১৩ অথবা ১৬ হিজৰিত বোয়েবৰ যুদ্ধ সংগঠিত হৈছিল। ইতিহাসত এই যুদ্ধৰ বিৱৰণ এনেদৰে উল্লেখ আছে যে জিছৰৰ যুদ্ধত পৰাস্ত হৈ হজৰত উমৰ (ৰাঃ)য়ে মনত বৰ দুখ পাইছিল। গতিকে তেখেত (ৰাঃ)য়ে আৰবৰ সকলো কবিলাৰ ওচৰত পত্ৰ লিখি লিখি আৰব কবিলা বিলাকক একজোট কৰি এক জাতিয় যুদ্ধৰ বাবে প্ৰস্তুত কৰি তুলিছিল। এই সমূহীয়া সৈন্য দলত মুছলমান সকলৰ ওপৰিও ঈছাই কবিলা বিলাকেও আহি যোগদান কৰিছিল। আনফালে হজৰত মুছান্না ইৰাক সীমান্তত সৈন্য সামন্ত সাজু কৰি ৰাখিছিল। ৰুস্তমে যেতিয়া মুছলমানসকলৰ এই প্ৰস্তুতি সম্পৰ্কে গম পাইছিল তেতিয়া তেওঁ মেহেৰাণৰ নেতৃত্বত সৈন্যদল এই ফালে পঠোৱাই দিছিল। এই যুদ্ধখন ৰমজান মাহত সংগঠিত হৈছিল। হজৰত মুছান্নায় সৈন্য দলৰ গ্ৰুপ বনাই শাৰী পাতি দিয়াৰ পিছত মুছলমান যুদ্ধা সকললৈ তেজ উদ্দীপক ভাষণ প্ৰদান কৰি সাহস বঢ়াই দিছিল। যুদ্ধ আৰম্ভ হৈছিল আৰু তুমুল ৰণ হৈ যোৱাৰ পিছত ইৰাণী সৈন্যই ৰণ ভূমিৰ পৰা পলায়ন কৰিছিল। উক্ত যুদ্ধত ইৰাণী সকলৰ সেনা নায়ক মেহেৰাণৰ মৃত্যু হৈছিল আৰু প্ৰায় এক লাখ ইৰাণী নিহত হৈছিল। ইৰাণী সৈন্য সকলে যেতিয়া যুদ্ধত পৰাস্ত হৈ পলায়ন কৰে তেতিয়া হজৰত মুছান্না নিজৰ সৈন্য বাহিনী লৈ সিহঁতৰ পিছানুসৰণ কৰি গৈ ইৰাণী সৈন্যক ঘেৰাও কৰি লৈ বহু কেইজন ইৰাণী সৈন্যক নিহত কৰি পেলায়। উক্ত যুদ্ধখনৰ ফলাফল এয়া হৈছিল যে ইৰাকৰ বেছিভাগ ঠাইতেই মুছলমানসকলৰ ৰাজত্ব স্থাপন হৈছিল।

বোয়েবৰ যুদ্ধত মুছলমান মহিলা সকলেও দক্ষতা আৰু সাহসৰ পৰিচয় দিছিল। সেয়া এনেদৰে যে যুদ্ধৰ পিছত যেতিয়া মুছলমান সৈন্য দল ঘোঁৰা চলাই আহি মহিলা আৰু বালক বালিকা সকলৰ ছাউনীৰ কাষত

উপস্থিত হৈছিল তেতিয়া মহিলা সকলে ধাৰণা কৰিছিল যে এয়া শত্রু সৈন্য হ'ব। এওঁলোকে আমাৰ ওপৰত আক্রমণ চলাব। তেতিয়া মহিলা সকলে ল'ৰা-ছোৱালী বিলাকক নিজৰ আশ্রয়স্থলত ৰাখি পাথৰ আৰু চুবে হাতত লৈ সিহঁতক প্রতিৰোধ কৰিবলৈ থিয় হৈছিল। এনেদৰে সেই সৈন্য দলটো মহিলাসকলৰ ওচৰ চাপি অহাৰ লগে লগে চিনিব পাৰিছিল যে তেওঁলোক শত্রু সৈন্য নহয়,তেওঁলোকৰে মুছলমান লোক হয়। গতিকে সেই দলটোৰ পৰিচালক উমৰু বিন আব্দুল মাছিহ কৈছিল যে আল্লাহ তা'লাৰ সৈন্য সকলৰ মহিলা সকলৰ এয়াই গুণ।

১৪ হিজৰিত মুছলমান আৰু ইৰাণী সকলৰ মাজত এক চূড়ান্ত যুদ্ধ সংগঠিত হৈছিল আৰু ইৰাণ সাম্রাজ্য মুছলমানৰ অধীনত আহি গৈছিল। এই যুদ্ধকেই কাদছিয়াৰ যুদ্ধ বুলি কোৱা হয়। যেতিয়া ফাৰচৰ বাসিন্দা সকলে মুছলমান সকলৰ কাৰুকার্য্য সম্পর্কে গম পাইছিল তেতিয়া তেওঁলোকে নিজৰ নেতা ৰুস্তম আৰু ফায়েৰুজানক কৈছিল যে তোমালোক দুজনৰ মতানৈক্যৰ কাৰণেই মুছলমান সকলে আজি ইমান শক্তিশালী হৈ পৰিছে। ৰুস্তম আৰু ফায়েৰুজান দুজনে মিলি বুৰানক অপসাৰিত কৰি একৈছ বছৰীয়া এজিদজৰ্দক সিংহাসনত বহুৱায়। ইফালে হজৰত মুছান্না ফাৰ্চি সকলৰ প্রস্তুতি সম্পর্কে হজৰত উমৰ (ৰাঃ)ক অৱগত কৰে তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে চাৰিওফালে প্রতিনিধি পঠোৱাই কবিলা বিলাকৰ চৰদাৰ সকলক মক্কাত আহি জমা হ'বলৈ নির্দেশ দিয়ে। তেতিয়া হজ্বৰ সময় নিচেই কাষ চাপি আহিছিল, সেয়ে হজৰত উমৰ (ৰাঃ)য়ে হজ্বলৈ যাত্রা কৰিছিল। যেতিয়া এখেত (ৰাঃ)য়ে হজ্বৰ পৰা ওভতি আহে তেতিয়া মদিনাত এটা ডাঙৰ সৈন্যদল জমা হৈছিলহি। প্রথমে হজৰত উমৰ (ৰাঃ)য়ে হজৰত আলি (ৰাঃ)ক মদিনাৰ আমিৰ নিযুক্ত কৰিছিল আৰু নিজে সৈন্যদলৰ নেতৃত্ব হাতত লৈছিল। ইতিহাস তিব্রিত থকা বর্ণনা অনুযায়ী প্রথমে হজৰত উমৰ (ৰাঃ)য়ে সেই সৈন্যদলৰ নেতৃত্ব নিজে দিবলৈ সিদ্ধান্ত লৈছিল কিন্তু পিছত হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)ৰ পৰামর্শ অনুযায়ী চাৰি হাজাৰ জিহাদীৰ বাবে  হজৰত ছাআদ বিন আবি উকাচক নায়ক হিচাপে নিযুক্ত দিয়ে। ইয়াৰ পিছত হজৰত উমৰ (ৰাঃ)য়ে হজৰত ছাআদ (ৰাঃ)ৰ যাত্রাৰ সময়ত কিছুমান আদেশ উপদেশ দিয়ে আৰু কাদছিয়ালৈকে যোৱাৰ উপায়,পদ্ধতি শুনায় আৰু যুদ্ধ ক্ষেত্রত বুদ্ধিমত্তাৰে কাম কৰিবলৈ কিছুমান বুনিয়াদী পৰামর্শ দিয়ে। হজৰত ছাআদ (ৰাঃ)য়ে গৈ শ্বৰাফ নামৰ ঠাইত বাহৰ পাতে তাত মুছান্না আঠ হাজাৰ সৈন্য লৈ আগৰে পৰাই অপেক্ষা কৰি আছিল। কিন্তু তেনেতে মুছান্নাৰ মৃত্যু হৈ গৈছিল। হজৰত উমৰ (ৰাঃ)য়ে মুগিৰা বিন শ্বইবাক এটা সৈন্য দলৰ সৈতে তালৈ পঠিয়াই দিছিল আৰু হজৰত ছাআদ (ৰাঃ)লৈ লিখি পঠিয়াইছিল যে মুগিৰা বিন শ্বইবাক তোমাৰ নেতৃত্বৰ অধীনত ৰাখি লোৱা। হজৰত ছাআদ (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)য়ে বিচৰা মতে নিজৰ সৈন্যদলৰ অৱস্থান আৰু আৰব সীমান্তৰ বিৱৰণী লিখি পঠিয়াইছিল আৰু সেই লিখনী পঢ়ি হজৰত উমৰ (ৰাঃ)য়ে যুদ্ধ প্রক্রিয়া আৰু কৌশল সম্পর্কে হজৰত ছাআদক নির্দেশ দিছিল।

হজৰত ছাআদ (ৰাঃ)য়ে দৰবাৰে খিলাফতৰ নির্দেশ অনুযায়ী কাদছিয়াত এমাহ ধৰি অৱস্থান কৰি আছিল। কিন্তু ইৰাণী সকলৰ ফালৰ কোনো প্রত্যোত্তৰ বা প্রতিদ্বন্দ্বিতাৰ বাবে ওলাই নহাত সেই অঞ্চলৰ লোক সকলে এজিদজৰ্দক মুছলমানসকলৰ উপস্থিতি সম্পর্কে লিখি পঠিয়ায়। যাৰ ফলত এজিদজৰ্দে ৰুস্তমক মাতি আনি পঠিয়ায় কিন্তু তেওঁ ছলনা কৰি যুদ্ধত অংশ গ্রহণ নকৰে আৰু নিজৰ সলনি জালিনুছক সৈন্যৰ কমাণ্ডাৰ পতাৰ পৰামর্শ দিয়ে। কিন্তু বাদছাহৰ আগত ৰুস্তমৰ কথা বাহাল নথকাত তেওঁ নিজেই সৈন্যদলৰ নেতৃত্ব দিব লগা হৈছিল।

হজৰত উমৰ (ৰাঃ)য়ে হজৰত ছাআদ (ৰাঃ)ক নিৰ্দেশ দিছিল যে ৰুস্তমৰ ওচৰলৈ সাধু,প্রজ্ঞাবান আৰু বীৰ পুৰুষক ইছলামৰ দাওৱাত লৈ যাব দিয়া। তেতিয়া হজৰত ছাআদ (ৰাঃ)য়ে চৈধ্য জন ব্যক্তিক মনোনীত কৰি দূত হিচাপে পঠিয়াই দিছিল। সেই দূত সকলে এজিদজৰ্দৰ আগত তিনিটা প্রস্তাব দাখিল কৰিছিল। প্রথম হ'ল ইছলাম গ্রহণ কৰি লোৱা, দ্বিতীয় হ'ল জিজিয়া প্রদান কৰা, তৃতীয় হ'ল যুদ্ধৰ বাবে প্রস্তুত হৈ যোৱা। এই প্রস্তাব শুনি এজিদজৰ্দে কৈছিল যে যদি দূতক হত্যা কৰা মানা নাথাকিলেহেঁতেন তেন্তে মই তোমালোকক হত্যা কৰোৱাই দিলোহেঁতেন। ইয়াৰ পিছত এজিদজৰ্দে মাটিৰ পৰা টুকুৰা লৈ অনাই ইছলামী দূতৰ দলপতিক কৈছিল যে মোৰ ফালৰ পৰা এয়া লৈ যোৱা।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কাদছিয়াৰ যুদ্ধৰ বৰ্ণনা কৰোঁতে লিখিছে যে সেই চাহাবীজনে বৰ সাৱধানেৰে আগবাঢ়ি গৈ নিজৰ মূৰ নত কৰি মাটিৰ বস্তাটো পিঠিত উঠাই লৈছিল আৰু একে জাপতে দৰবাৰৰ বাহিৰত আহি থিয় হৈ নিজৰ লগৰীয়া সকলক উচ্চস্বৰে কৈছিল- আজি ইৰাণৰ বাদছাহে নিজৰ হাতেৰে নিজ দেশৰ ভূমি আমাৰ হস্তগত কৰি দিছে। এই বুলি মুছলমানৰ দলটোৱে ঘোঁৰাত আৰোহণ কৰি বেগেৰে তাৰ পৰা ওলাই আহিছিল। বাদছাহে যেতিয়া এই ধ্বনি শুনিছিল তেতিয়া তেওঁৰ এই কাম অশুভ হ'ল বুলি হৃদয় কপি উঠিছিল আৰু লগে লগে দৰবাৰত থকা লোক সকলক মুছলমান সকলক ধৰি অনাৰ বাবে পঠাই দিছিল। কিন্তু মুছলমান সকলে ইতিমধ্যে বেগী ঘোঁৰাত বহু দূৰলৈ গুচি আহিছিল।

এই ঘটনাৰ পিছত কেইমাহমান সময় শান্তিৰে কটাইছিল আৰু ৰুস্তমে এজিদজৰ্দৰ তাগিদা সত্ত্বেও যুদ্ধৰ পৰা গা এৰাদি চলিছিল। অৱশেষত ৰুস্তমে বাধ্য হৈ প্রতিদ্বন্দ্বিতাৰ বাবে আগুৱাই আহিব লগা হয় আৰু তাৰ সৈন্য বিলাকে আহি কাদছিয়াত ছাউনি পাতি থাকিবলৈ লয়। ৰুস্তমৰ ফৌজৰ সংখ্যা আছিল এক লাখ ত্রিশ হাজাৰ আৰু লগতে হাতী আছিল তেত্রিশটা। ৰুস্তমে ইছলামী সৈন্যৰ খবৰ লৈ আৰু নিৰীক্ষণ কৰি মুছলমান সকলৰ লগত সন্ধিৰ প্রস্তাৱ আগবঢ়ায়। এনেদৰে তেওঁ বিচাৰে যে তেওঁৰ দৰবাৰত মুছলমান সকলৰ ফালৰ পৰা দূত এক আলোচনাত মিলিত হ'বলৈ আহঁক। উক্ত আলোচনাতও মুছলমান সকলে সেই তিনিটা প্রস্তাৱেই আগবঢ়ায় যেনে ইছলাম গ্রহণ,জিজিয়া প্রদান অথবা যুদ্ধ। ৰুস্তমে প্রস্তাৱ তিনিটাৰ এটাও মানি ল'বলৈ সাজু হোৱা নাছিল বৰং যুদ্ধ কৰাৰ ইচ্ছাহে প্রকাশ কৰিছিল। মুছলমান সকলে যুদ্ধ প্রস্তুতি সম্পূৰ্ণ কৰি শাৰী বদ্ধ হৈ গৈছিল কিন্তু হজৰত ছাআদ (ৰাঃ)ৰ গাঁত ফোঁহোৰা ওলায় আৰু তেখেত (ৰাঃ)য়ে ভৰিৰ বিষত বেমাৰ পৰি গৈছিল। হজৰত ছাআদ (ৰাঃ)ৰ বাবে গছত চাং পাতি দিয়া হৈছিল; তাতে বহি তেখেত (ৰাঃ)য়ে সৈন্য সকলক লক্ষ্য কৰিছিল। হজৰত ছাআদ (ৰাঃ)য়ে নিজৰ সলনি খালিদ বিন উৰুফতাহক সহকাৰী নিয়োগ কৰিছিল আৰু মুছলমানসকলক ভাষণেৰে যুদ্ধলৈ উদ্ধাউল কৰিছিল। ইৰাণী সৈন্য সকলৰ মাজত ত্রিশ হাজাৰ চিপাহীক শৃংখলিত কৰি ৰখা হৈছিল; যাতে কোনেও দৌৰি পলাব নোৱাৰে। হজৰত ছাআদ (ৰাঃ)য়ে মুছলমান সকলক ছুৰা আনফাল পঢ়িবলৈ আদেশ দিছিল। উক্ত ছুৰা তিলাওত কৰি মুছলমানসকলে প্রশান্তি লাভ কৰিছিল। নমাজে জহৰৰ পিছত যুদ্ধ আৰম্ভ হৈছিল আৰু প্রথম দিনাখন বনু আছিদ কবিলাৰ পাঁচ শ মুছলমান শ্বহীদ হৈ গৈছিল। দ্বিতীয় দিনাখন হজৰত হাশিম বিন উতবা বিন আবি উকাচৰ নেতৃত্বত সহায়ক সৈন্য আহি উপস্থিত হৈছিল; যাৰ প্রথম ভাগৰ আমিৰ আছিল হজৰত কাআকায়ে বিন উমৰু। হজৰত কাআকায়ে শত্রু পক্ষক যুদ্ধ কৰিবলৈ আহ্বান কৰিছিল তেতিয়া বহমিন জাযবিয়া প্রতিদ্বন্দ্বিতা কৰিবলৈ আগুৱাই আহে আৰু দুয়োৰে মাজত তুমুল ৰণ হয় আৰু হজৰত কাআকায়ে বহমিন জাযবিয়াক হত্যা কৰি পেলায়। মুছলমান সকলে বহমিন জাযবিয়াৰ মৃত্যু আৰু সহায়ক সৈন্য সকলৰ কাৰণে বৰ আনন্দিত হৈছিল। যুদ্ধৰ তৃতীয় দিনাখন আটাইতকৈ বেছি ৰক্তাক্ত ৰণ সংগঠিত হৈছিল আৰু

তাত দুই হাজাৰ মুছলমান আৰু দহ হাজাৰ ইৰাণী আছিল। হজৰত ছাআদ (ৰাঃ)ৰ নির্দেশ মর্মে হজৰত কাআকায়ে আৰু হজৰত আছিমে ইৰাণী সকলৰ বগা হাতীক মাৰি পেলাইছিল আৰু অন্যান্য মুছলমান সকলে আজৰব নামৰ হাতীটোক এনেকুৰা আঘাত হানিছিল যে হাতীটোৱে নদীত জাপ মাৰি পলাই গৈছিল আৰু সেইটোৰ দেখাদেখি বাকী হাতীবোৰেও নদীত নামি গৈছিল। সেই দিনাখন ৰাতি ইশাৰ নমাজৰ পিছত এনেকুৰা ভয়ানক  ৰণ হৈছিল যে আৰব আৰু আজমে সেই ৰাতিৰ দৰে যুদ্ধ কেতিয়াও দেখিবলৈ পোৱা নাই। গোটেই ৰাতি হজৰত ছাআদে আল্লাহৰ দৰবাৰত দোৱায় ৰত আছিল। ৰাতি পুৱাই গৈছিল ; মুছলমানসকলৰ উদ্যম সম্পূর্ণই আছিল আৰু তেওঁলোকে বিজয় লাভ কৰিছিল। চতুর্থ দিনাখন দুপৰীয়ালৈকে যুদ্ধ চলিছিল আৰু ইৰাণী সকলে পিছ হুহঁকি গৈছিল। সেই দিনাখন ৰুস্তমৰ ওপৰত তীব্ৰ আক্ৰমণ চলোৱা হৈছিল।  গতিকে ৰুস্তমে তিষ্টিব নোৱাৰি নদীত জাপ দি পৰিছিল। বিলাল নামৰ এজন মুছলমানে তাক ধৰি আনি শুকান ঠাইত হত্যা কৰিছিল। ৰুস্তম হত্যাৰ খবৰ শুনি ফার্চী সকলে পৰাজিত হৈ পলায়ন কৰে। মুছলমান সকলে সিহঁতক খেদি গৈ বহুলোকক বন্দী কৰি পেলাইছিল।

হজৰত উমৰ (ৰাঃ) য়ে দৈনিক ৰাতি পুৱাতেই যুদ্ধ ক্ষেত্ৰৰ পৰা কিবা কাৰণত বাহিৰত ওলাই অহা আৰোহীক কাদছিয়াৰ যুদ্ধৰ অৱস্থা সম্পর্কে সুধিছিল। যেতিয়া বিজয় বার্ত্তা লৈ অহা  দূতজন মদিনাত প্ৰৱেশ কৰি আছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে দৌৰি দৌৰি গৈছিল আৰু যুদ্ধৰ ফলাফলৰ গম লৈছিল কাৰণ দূতজনে উটনীৰ ওপৰত আৰোহণ কৰি আহি আছিল। যেতিয়া দূতজনে মদিনাৰ ভিতৰত প্ৰৱেশ কৰে আৰু দেখিবলৈ পায় যে লোকে হজৰত উমৰ (ৰাঃ)ক আমিৰুল মোমিনিন বুলি মাতি আছে আৰু ছালাম কৰি আছে তেতিয়া দূতজনে হজৰত উমৰ (ৰাঃ)ৰ ওচৰত নিবেদন কৰিছিল যে আপুনি মোক কিয় কোৱা নাই যে আপুনি আমিৰুল মোমিনিন হয়। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কৈছিল হে মোৰ ভাই ! তাত কোনো কথা নাই। হজৰত উমৰ (ৰাঃ)য়ে বিজয় বার্ত্তা পোৱাৰ লগে লগে মদিনাৰ মুছলমানলৈ এক গুৰুত্বপূর্ণ ভাষণ প্ৰদান কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে লিখিছে যে মুছলমান সকলৰ মাজত এই মহান পৰিবৰ্ত্তন এই কাৰণেই জন্ম লৈছিল যে কোৰ-আনৰ শিক্ষাই তেওঁলোকৰ চৰিত্ৰ আৰু অভ্যাসৰ মাজত এক নৱ জাগৰণৰ সৃষ্টি কৰিছিল। তেওঁলোকৰ নিকৃষ্ট জীৱনটোৰ ওপৰত এক ধৰণৰ মৃত্যু আৰোহণ কৰাইছিল আৰু তেওঁলোকক এটা উত্তম আৰু উচ্চ ভূমিকা আৰু উচ্চ মানৰ চৰিত্ৰৰ শাৰীত আনি থিয় কৰাই দিছিল। যাৰ ফলত এই নৱ জাগৰণৰ জন্ম হৈছিল। গতিকে কোৰ-আনী শিক্ষাৰ ওপৰত আমল কৰিলেহে প্ৰকৃত বিপ্লবৰ আগমন ঘটে।

খোতবাৰ শেষত হুজুৰ (আইঃ) য়ে কয় যে এই বৰ্ণনা ইনশা আল্লাহ আগলৈও চলিব।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**